**REGIONAL NEWS UNIT**
AKASHVANI GUWAHATI
0000000000

**Date : 05-10-2025**
**Time : 21-25 Hrs**

# ASSAMESE NIGHT BULLETIN

**::::::::::::::::::**

বিপিএফৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে আজি বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্যৰূপে শপতগ্ৰহণ কৰে। ৰাজ্যৰ মুখ্যসচিব ৰবি কোটাৰ অনুমোদন মৰ্মে বিটিচিৰ সচিব অমৰেন্দ্ৰ ডেকাই তেওঁক পদ আৰু গোপনীয়তাা ৰক্ষাৰ শপতবাক্য পাঠ কৰোৱায়।

কোকৰাঝাৰৰ বিটিচি সচিবালয় খেলপথাৰত এই উপলক্ষে আয়োজিত অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ মন্ত্ৰী ডাঃ ৰণোজ পেগু ক, ইউ পি পি এলৰ নেতা তথা মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, বিধায়ক লৰেন্স ইছলাৰীকে ধৰি কেইবাগৰাকীও মন্ত্ৰী উপস্থিত থাকে। শপতগ্ৰহণ অনুষ্ঠানৰ প্ৰথম পৰ্যায়ত ১০ গৰাকী পাৰিষদে বিটিচিৰ কাৰ্যবাহী সদস্য হিচাপে শপত লয়। ৰিহন দৈমাৰীয়ে উপ-মুখ্য কাৰ্যবাহী সদস্য হিচাপে শপত গ্ৰহণ কৰে। শ্ৰী মহিলাৰীয়ে শপতগ্ৰহণৰ পাছত অনুষ্ঠানত ভাষণ দি বড়োলেণ্ডৰ সৰ্বাংগীন বিকাশ আৰু জনসাধাৰণৰ কল্যানৰ বাবে তেওঁ সদায় কাম কৰি যাব বুলি উল্লেখ কৰে। তেওঁ এইক্ষেত্ৰত অসম চৰকাৰ তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সহযোগিতা কামনা কৰে।

*(বাইট ঃ হাগ্ৰামা)*

অনুষ্ঠানত অংশলৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মুখ্য কাৰ্যবাহী সহস্য হিচাপে শপত গ্ৰহণ কৰা হাগ্ৰামা মহিলাৰী আৰু তেওঁৰ নেতৃতৰ কাৰ্যবাহী সদস্যসকললৈ অভিনন্দন জনায়। মুখ্যমন্ত্ৰীয়ে লগতে অসম চৰকাৰে এই ক্ষেত্ৰত নতুন বিটিচি চৰকাৰক সকলো ধৰণৰ সমৰ্থন আগবঢ়োৱাৰ আশ্বাস দিয়ে। ড০ শৰ্মাই বিটিআৰক জাতি-উপজাতিৰ মিলনভূমি বুলি উল্লেখ কৰি এই লোকসকলৰ মাজত সমন্বয় বৰ্তাই ৰখাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও সামাজিক মাধ্যমযোগে বিপিএফৰ মুৰব্বীগৰাকীক শুভেচ্ছা জনায়। এটা বাৰ্তাত তেওঁ কয়, যে কেন্দ্ৰীয় চৰকাৰ তথা অসম চৰকাৰে বডোফা উপেন্দ্ৰ নাথ ব্ৰহ্মাৰ দৰ্শন বাস্তবায়িত কৰা আৰু সকলোধৰণৰ বিকাশ সুনিশ্চিত কৰাৰ লক্ষ্যৰে বিটিচি চৰকাৰক সমৰ্থন আগবঢ়াই যাব।

০০০০০০

ৰাজ্যৰ বিভিন্ন স্থানত কাইলৈৰ পৰা বিভিন্ন কাৰ্যসূচীৰে শ্ৰীশ্ৰীলক্ষ্মী পূজাৰ আয়োজন কৰা হৈছে।

**ৰজালী** জিলাৰ ভোটান্ত সাদেৰীত কাইলৈৰ পৰা ১৪ অক্টোবৰলৈ ৯ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ৮০ সংখ্যক লক্ষ্মী পূজাৰ আয়োজন কৰা হৈছে।

**চিৰাং** জিলাৰ বিজনীৰ ইতিহাস প্ৰসিদ্ধ শ্ৰীশ্ৰীলক্ষ্মী পূজা আৰু মেলা মহোৎসৱ কাইলৈৰ পৰা ১৪ দিনীয়া কাৰ্যসূচীৰে ৰজা বিজিত নাৰায়ণ সমন্বয় ক্ষেত্ৰত অনুষ্ঠিত হ'ব। বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলনভূমি বিজনী চহৰৰ ঐতিহাসিক শ্ৰীশ্ৰীলক্ষ্মী পূজা আৰু মেলাখন পৰিচালনাৰ বাবে বিভিন্ন উপসমিতি গঠন কৰা হৈছে।

০০০০০০

ৰাজ্যৰ বিভিন্ন ঠাইত আজিও জনতাৰ শিল্পী জুবিন গাৰ্গৰ ৰাজহুৱা আদ্যশ্ৰাদ্ধ অনুষ্ঠিত কৰা হয়। ডিব্ৰুগড় জিলাৰ চৌকিদিঙি খেলপথাৰত আয়োজিত ৰাজহুৱা আদ্যশ্ৰাদ্ধত জাতি-ধৰ্ম নিৰ্বিশেষে অগণন লোকৰ সমাগম হয়। জাতীয়-জনগোষ্ঠীয় ঐক্যমঞ্চই আয়োজন কৰা প্ৰিয় শিল্পীগৰাকীৰ আদ্যশ্ৰাদ্ধ উপলক্ষে নাম প্ৰসংগ, ভাগৱত পাঠ, কোৰাণ পাঠ আদিৰ উপৰি শিল্পীগৰাকীৰ মৃত্যুৰ ন্যায় কামনা কৰি সমূহীয়া প্ৰাৰ্থনা কৰা হয়। সন্ধিয়াৰ ভাগত চৌকিদিঙি খেলপথাৰত এহেজাৰ বন্তি প্ৰজ্বলন কৰা হয়।

অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ তিনিচুকীয়া জিলা সমিতিৰ উদ্যোগত আজি তিনিচুকীয়া শিল্পীগৰাকীৰ আদ্যশ্ৰাদ্ধৰ আয়োজন কৰা হয়। যুৱ ছাত্ৰ পৰিষদৰ নিজা কাৰ্যালয় প্ৰাঙ্গনত নাম-কীৰ্তন কৰি পৰম্পৰাগত নীতি-নিয়মেৰে আদ্যশ্ৰাদ্ধ সম্পন্ন কৰা হয় আৰু সন্ধিয়াৰ ভাগত এহেজাৰ এগছি বন্তি প্ৰজ্বলন কৰা হয়। জিলাখনৰ মাকুমতো প্ৰিয় শিল্পীগৰাকীৰ ৰাজহুৱা আদ্যশ্ৰাদ্ধত সৰ্বধৰ্ম প্ৰাৰ্থনাৰ আয়োজন কৰা হয়।

**শিৱসাগৰৰ** দৌলমুখ চাৰিআলিতো অসমীয়াৰ প্ৰাণৰ শিল্পীগৰাকীৰ বাবে বিভিন্ন ধৰ্মৰ পুৰোহিতসকলে প্ৰাৰ্থনা কৰে।

**ঢেকীয়াজুলীত** সদৌ অসম ছাত্ৰসন্থা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাকে ধৰি বহুকেইটা দল-সংগঠনৰ সহযোগত ছহিদ মৈদানত শিল্পীগৰাকীৰ ৰাজহুৱা আদ্যশ্ৰাদ্ধ আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়।

**হোজাই** জিলাৰ ১ নম্বৰ কাকী খেলপথাৰত আজি দিনজোৰা কাৰ্যসূচীৰে শিল্পী জুবিন গাৰ্গৰ ৰাজহুৱা আদ্যশ্ৰাদ্ধ অনুষ্ঠিত কৰা হয়। কাকী কেন্দ্ৰীয় গামখাৰু ৰঙালী বিহু উদযাপন সমিতিৰ উদ্যোগত আৰু বিভিন্ন সামাজিক, সাংস্কৃতিক অনুষ্ঠান, ছাত্ৰ সংগঠন তথা স্থানীয় ৰাইজৰ সহযোগত এই ৰাজহুৱা আদ্যশ্ৰাদ্ধ অনুষ্ঠিত কৰা হয়। এই অনুষ্ঠানত জুবিন গাৰ্গৰ স্মৃতিত নাহৰ পুলি ৰোপণ, শিল্পীগৰাকীৰ প্ৰতিকৃতি নিৰ্মাণৰ আধাৰশিলা স্থাপনৰ লগতে নাম-প্ৰসংগ আৰু সৰ্বধৰ্মীয় প্ৰাৰ্থনা সভা অনুষ্ঠিত হয়।

০০০০০০

আই চি চি মহিলা এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ কলম্বোৰ আৰ প্ৰেমাদাসা ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত আজি ভাৰতে পাকিস্তানক জয়ৰ বাবে ২৪৮ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। ভাৰতে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ৫০ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ২৪৭ ৰাণ সংগ্ৰহ কৰে। ইয়াৰ প্ৰত্যুত্তৰত পাকিস্তানে বাতৰি যুগুতোৱাৰ পৰলৈকে ২২ অভাৰত ৩টা উইকেটত ৬৯ ৰাণ সংগ্ৰহ কৰে।

০০০০০০

সমাপ্ত